প্ৰঃ ব্যক্তিত্ব কি? ইয়াৰ সংজ্ঞা দিয়া।

ব্যক্তিত্ব হৈছে ব্যক্তিৰ এনে এক প্ৰকাৰৰ সহজাত গুণ বা সংলক্ষণ যিয়ে আচৰণৰ জড়িয়তে প্ৰকাশ পায়। ই ব্যক্তিক যিকোনো পৰিৱেশ বা পৰিস্থিতিৰ সৈতে সমাযোজন কৰাত সহায় কৰে। ই হৈছে সামাজিক জীৱনত প্ৰকাশ পোৱা ব্যক্তিৰ দৈহিক, মানসিক, নৈতিক আৰু সামাজিক গুণৰ সংমিশ্ৰণ।

ব্যক্তিত্ব অসমীয়া শব্দৰ ইংৰাজী প্ৰতিশব্দ হৈছে "Personality"। এই Personality শব্দটো গ্ৰীক ভাষাশব্দ "Persona" শব্দৰ পৰা উৎপত্তি হৈছে। ইয়াৰ অৰ্থ হৈছে "ভাৱৰীয়াৰ মুখা" (Player's Mask)।

আৰ বি কেটেলৰ মতে "এজন ব্যক্তিয়ে কোনো এটা নিৰ্দিষ্ট পৰিস্থিতিত কি কৰিব সেই বিষয়ে ভৱিষ্যৎবাণী কৰাত যিয়ে সহায় কৰে সেয়েই ব্যক্তিত্ব।"

আলপৰ্টৰ মতে " ব্যক্তিত্ব মানে হৈছে ব্যক্তিৰ অভ্যন্তৰত ঘটা মনো-দৈহিক তন্ত্ৰসমূহৰ এক গতিশীল সংগঠন যি পৰিৱেশৰ লগত হোৱা ব্যক্তিৰ অদ্বিতীয় সমাযোজন নিৰ্ধাৰণ কৰে।